**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-02-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

***::::::::::::::::::::::::::::::::::::::::::***

১। চৰকাৰে দেশৰ আন্তঃগাঁথনি শক্তিশালীভাৱে নিৰ্মাণ কৰাত গুৰুত্ব আৰোপ কৰিছে বুলি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে প্ৰকাশ কৰিছে।

২। নিৰ্বাচন আয়োগে নিৰ্বাচন হ'বলগীয়া ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত ইভিএম আৰু ভিভিপেটৰ ব্যাপক সজাগতা অভিযান আৰম্ভ কৰিছে।

৩। ৰাহুল গান্ধীয়ে ভিত্তিহীন মন্তব্যৰে সদনক বিপথে পৰিচালনা কৰাৰ অভিযোগ তুলি চৰকাৰে এখন বিশেষাধিকাৰ জাননী প্ৰেৰণ কৰাৰ সিদ্ধান্ত লৈছে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে অহা শনিবাৰে অসমলৈ আহিব।

*আৰু*

৫। টি-টুৱেণ্টি বিশ্ব কাপ ক্ৰিকেট প্ৰতিযোগিতাত মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৱেষ্ট ইণ্ডিজ ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

ooooo

চৰকাৰে দেশৰ আন্তঃগাঁথনি শক্তিশালীভাৱে নিৰ্মাণ কৰাত গুৰুত্ব আৰোপ কৰিছে বুলি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে প্ৰকাশ কৰিছে। তেওঁ কয় যে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডত বিশেষ গুৰুত্ব প্ৰদানেৰে শ্ৰমজড়িত খণ্ডসমূহত গুৰুত্ব দিয়া হৈছে। লোকসভাত আজি সন্ধিয়া কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আলোচনাৰ উত্তৰ দি শ্ৰীমতী সীতাৰমনে কয় যে চৰকাৰে গুণগত শিক্ষা প্ৰদানৰ বাবে ৰাজ্য চৰকাৰসমূহৰ সৈতে কাম কৰিছে।

ইয়াৰ পূৰ্বে বাজেট সম্পৰ্কীয় আলোচনাত অংশ লৈ এল জে পি (আৰ)ৰ সাংসদ অৰুণ ভাৰ্তিয়ে কেন্দ্ৰীয় বাজেটত ৰাষ্ট্ৰীয় উন্নয়নৰ বাজেট বুলি উল্লেখ কৰে। তেওঁ এই বাজেটত ভৱিষ্যমুখী আৰু ঐতিহাসিক বুলি অভিহিত কৰি কয় যে এই বাজেটে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিৰ আধাৰশিলা গঢ়ি তুলিব। বাজেটত কেন্দ্ৰীয় চৰকাৰে বিহাৰক অগ্ৰাধিকাৰ দিয়াৰ কথা উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যখনলৈ ২০০৪ৰ পৰা ২০১৪ চনৰ ভিতৰত প্ৰায় ৩ লাখ কোটি টকা আবণ্টন দিয়াৰ বিপৰীতে ২০১৪ৰ পৰা ২০২৪ চনলৈ আবণ্টিত ধনৰাশি ৯ লাখ কোটি টকালৈ বৃদ্ধি পাইছে। ছিকিম ক্ৰান্তিকাৰী মৰ্চাৰ সাংসদ ইন্দ্ৰ হাং চুববাই কয় যে বাজেটখনত সমাজৰ সকলো শ্ৰেণীৰ কল্যাণৰ কথা চিন্তা কৰা হৈছে। আপৰ সাংসদ ড০ ৰাজকুমাৰ ছাবেৰৱালে বাজেটত দেশৰ জনসাধাৰণৰ বাবে বিশেষ একো নাই বুলি অভিযোগ কৰে। তেওঁ কয় যে এইবাৰৰ বাজেটত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বাবে আবণ্টিত পুঁজি হ্ৰাস কৰা হৈছে। বিজেপিৰ সাংসদ সুধীৰ গুপ্তাই কেন্দ্ৰীয় বাজেটক প্ৰশংসা কৰি কয় যে এই বাজেটে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ দৰ্শন সম্পূৰ্ণ কৰিব। শ্ৰীগুপ্তাই ইউ পি এ চৰকাৰৰ শাসনকালত ২০১৩-১৪ বৰ্ষত কেন্দ্ৰীয় বাজেটত ১৬ লাখ কোটি টকা ধাৰ্য কৰাৰ বিপৰীতে বৰ্তমান এন ডি এ চৰকাৰৰ সময়ত ২০২৬-২৭ বৰ্ষৰ বাজেটত ৫৩ লাখ কোটি টকা ধাৰ্য কৰা হৈছে বুলি উল্লেখ কৰে। লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল

গান্ধীয়ে কেন্দ্ৰীয় বাজেটত কৃত্ৰিম বুদ্ধিমত্তাক গুৰুত্ব দিয়া হৈছে বুলি উল্লেখ কৰে। তেওঁ অভিযান্ত্ৰিক আৰু তথ্যপ্ৰযুক্তি খণ্ডত কৃত্ৰিম বুদ্ধিমত্তাই নিয়োগৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব বুলি আশংকা ব্যক্ত কৰে। বৰ্ধিত ভূ-ৰাজনৈতিক সংঘৰ্ষৰ বিষয়ে অৰ্থনৈতিক সমীক্ষাত প্ৰকাশ পোৱাৰ কথা উল্লেখ কৰি শ্ৰীগান্ধীয়ে কয় যে এই সংঘৰ্ষৰ সৈতে কিদৰে যুঁজ দিয়া হ'ব সেই বিষয়ে বাজেটত কোনো উল্লেখ নাই। তেওঁ ভাৰত-আমেৰিকা যুক্তৰাষ্ট্ৰ বাণিজ্য চুক্তিৰ বিষয়টো উত্থাপন কৰি চৰকাৰে ডিজিটেল বাণিজ্য নীতিৰ ক্ষেত্ৰত নিয়ন্ত্ৰণ হেৰুৱাইছে বুলি অভিযোগ কৰে। ইপিনে, বিজেপিৰ সাংসদ অনুৰাগ সিং ঠাকুৰে এই বাজেটে দৰিদ্ৰ লোকৰ কল্যাণ, কৃষকৰ প্ৰগতি তথা মহিলাসকলক শক্তিশালী কৰাৰ লগতে যুৱ চামক সুযোগ প্ৰদান কৰিব বুলি প্ৰকাশ কৰে। শিৱসেনাৰ সাংসদ শ্ৰীকান্ত সিন্দেই এই বাজেটক নৱ ভাৰতৰ প্ৰতিৰিম্ব বুলি অভিহিত কৰি কয় যে বাজেটত শিক্ষা, স্বাস্থ্য আৰু নিয়োগৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হৈছে।

ৰাজ্যসভাতো আজি ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত পুনৰ আলোচনা অনুষ্ঠিত হয়।

০০০০০

নিৰ্বাচন আয়োগে নিৰ্বাচন হ'বলগীয়া ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত ইভিএম আৰু ভিভিপেটৰ ব্যাপক সজাগতা অভিযান আৰম্ভ কৰিছে। অসম, কেৰালা, পুডুচেৰী, তামিলনাডু আৰু পশ্চিম বংগৰ ভোটদাতাসকলক ইভিএম ব্যৱস্থাৰ বিষয়ে সজাগ কৰাৰ লক্ষ্যৰে এই অভিযান চলোৱা হৈছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। আয়োগে প্ৰকাশ কৰা মতে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলকেইটাত ইভিএম প্ৰদৰ্শনী শিবিৰত ১ লাখ ২০ হাজাৰৰো অধিক ভোটদাতাই অংশ লৈছে। নিৰ্বাচন আয়োগে কয় যে ভোটদাতাসকলক ইভিএমৰ ব্যৱহাৰিক অভিজ্ঞতা প্ৰদান তথা নিৰ্বাচনী প্ৰক্ৰিয়াত স্বচ্ছতা নিশ্চিত কৰাৰ লক্ষ্যৰে এই সজাগতা অভিযান ৰূপায়ণ কৰা হৈছে।

০০০০০

লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে সদনত বাজেট আলোচনাৰ সময়ত ভিত্তিহীন মন্তব্য কৰি সদনক বিপথে পৰিচালনা কৰাৰ বিৰুদ্ধে চৰকাৰে এখন বিশেষাধিকাৰ জাননী প্ৰেৰণ কৰিব বুলি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে প্ৰকাশ কৰিছে। শ্ৰীৰিজিজুৱে আজি সাংবাদিকৰ আগত ৰাহুল গান্ধীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে মিছা অভিযোগ অনা বুলিও উল্লেখ কৰে। তেওঁ কয় যে লোকসভা আৰু ৰাজ্যসভাৰ নিৰ্দিষ্ট নিয়মাৱলী আছে। তেওঁ ৰাহুল গান্ধীক সদনত উত্থাপন কৰা অভিযোগসমূহৰ সত্যতা প্ৰতিপন্ন কৰাৰ বাবে অনুৰোধ জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে ৰাহুল গান্ধীয়ে মন্ত্ৰী হৰদীপ সিং পুৰীৰ বিৰুদ্ধে অভিযোগ অনাৰ বাবেও সমালোচনা কৰে। শ্ৰীৰিজিজুৱে ৰাহুল গান্ধীয়ে ৰাষ্ট্ৰীয় সুৰক্ষাৰ বিষয়সমূহ সদনত ৰাজনৈতিক আহিলা হিচাপে ব্যৱহাৰ কৰা বুলি অভিযোগ কৰে। ৰাষ্ট্ৰীয় সুৰক্ষা দেশৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে শ্ৰীগান্ধীক ৰাজনৈতিক মুনাফাৰ বাবে এনেধৰণৰ বিষয় উত্থাপন কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়।

ইপিনে, ভাৰত-আমেৰিকা যুক্তৰাষ্ট্ৰ বাণিজ্য চুক্তি সন্দৰ্ভত ৰাহুল গান্ধীৰ অভিযোগৰ প্ৰতি সঁহাৰি জনাই কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কয় যে কৃষকসকলৰ কল্যাণৰ কথা মনত ৰাখি সকলোবোৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে সংসদত বাৰম্বাৰ মিছা অভিযোগ উত্থাপন কৰাৰ বাবে বিজেপিয়ে আজি কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীক তীব্ৰ সমালোচনা কৰে। নতুন দিল্লীত এখন সংবাদ মেল সম্বোধন কৰি বিজেপিৰ মুখপাত্ৰ শুধাংশু ত্ৰিবেদীয়ে বিৰোধী নেতা ৰাহুল গান্ধীয়ে প্ৰদান কৰা আপত্তিজনক মন্তব্যক সমালোচনা কৰি তেওঁৰ পৰিকল্পিত ৰাজনৈতিক কৌশলসমূহে সংসদৰ সৌষ্ঠৱ ম্লান কৰিছে বুলি উল্লেখ

কৰে। শ্ৰীত্ৰিবেদীয়ে সদনত অধ্যক্ষগৰাকীয়ে সতৰ্ক কৰাৰ পাছতে কংগ্ৰেছৰ নেতাগৰাকীয়ে প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে মিছা অভিযোগ উত্থাপন কৰাৰ লগতে আপত্তিজনক মন্তব্য আগবঢ়ায় বুলি অভিযোগ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে অহা শনিবাৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীগৰাকী প্ৰথমে ডিব্ৰুগড়ৰ চাবুৱাস্থিত বায়ুসেনা ঘাটিত উপস্থিত হ'ব আৰু তাৰ পৰা মৰাণলৈ যাব। মৰাণত শ্ৰীমোদীয়ে জৰুৰীকালীন অৱস্থাত উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাবে বিকশাই তোলা ঘাইপথত অৱতৰণ কৰিব। অনুষ্ঠানৰ অংশ হিচাপে কেইবাখনো যুঁজাৰু বিমানেও ঘাইপথত অৱতৰণ কৰাৰ কথা। একাংশ বিমানে আকাশত উৰণ কৌশলো প্ৰদৰ্শন কৰিব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী আৰু উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বাৰ্মা সেঁতুখন মুকলি কৰিব।

শ্ৰীমোদীয়ে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলং মুকলি কৰাৰ পাছত গুৱাহাটীত থকা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান আই আই এমৰ অস্থায়ী চৌহদ উদ্বোধন কৰিব আৰু কেন্দ্ৰীয় পুঁজিৰে ক্ৰয় কৰা ১০০খনৰো অধিক বৈদ্যুতিক বাছ ৰাজ্য চৰকাৰক অৰ্পণ কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে আমিনগাঁৱত হাইপাৰ স্কেল তথ্য কেন্দ্ৰ মুকলি কৰিব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত বিজেপিৰ দলীয় কৰ্মীসকলৰ এখন বৈঠকতো অংশগ্ৰহণ কৰিব।

ooooo

টি-টুৱেণ্টি বিশ্ব কাপ ক্ৰিকেট প্ৰতিযোগিতাত মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৱেষ্ট ইণ্ডিজ ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ৱেষ্ট ইণ্ডিজে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আমালৈ বাতৰি অহা পৰলৈ ২ অভাৰত দুটা উইকেট হেৰুৱাই ১০ ৰাণ সংগ্ৰহ কৰিছে।

ইয়াৰ পূৰ্বে কলম্বোৰ আৰ প্ৰেমাডাছা ষ্টেডিয়ামত গ্ৰুপ বিৰ এখন খেলত অষ্ট্ৰেলিয়াই আয়ৰলেণ্ডক ৬৭ ৰাণত পৰাস্ত কৰে। অষ্ট্ৰেলিয়াই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৮২ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত আয়াৰলেণ্ডে ১৬ অভাৰ ৫টা বলতে আটাইকেইটা উইকেট হেৰুৱাই ১১৫ ৰাণহে কৰিবলৈ সমৰ্থ হয়।

আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ দিৰ এখন ৰোমাঞ্চকৰ খেলত আজি দক্ষিণ আফ্ৰিকাই আফগানিস্তানক চুপাৰ অভাৰৰ সহায়ত পৰাভূত কৰে। খেলখনত  দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ টা উইকেট হেৰুৱাই ১৮৭ ৰান সংগ্ৰহ কৰে।

ooooo

ঃঃ সমাপ্ত ঃঃ